**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-09-2025
**Time :** 1845 HRS

***Assamese Evening Bulletin***
**Headlines**
**------------------**

০০০০০

১। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ আজি ঢেকীয়াজুলিত আত্মসহায়ক গোটৰ ৩১ হাজাৰ ২২৪ গৰাকী সদস্যাক চেক বিতৰণ।

২। উত্তৰ পূৰ্বাঞ্চলৰ বাবে বাজেটত আৱণ্টিত ধনৰ পৰিমাণ ২০১৪-১৫ চনৰে পৰা ১৫৩ শতাংশ বৃদ্ধি পাইছে বুলি কেন্দ্ৰীয় মন্ত্ৰী ৰাম মোহন নাইডু কিঞ্জাৰাপুৰ প্ৰকাশ।

৩। জি এছ্ টি সংস্কাৰৰ সিদ্ধান্তৰ প্ৰতি মুখ্যমন্ত্ৰীৰ আদৰণি।

৪। সমগ্ৰ শিক্ষা অসম আৰু টাটা নেলকোৰ মাজত **হাব এণ্ড স্প'ক আৰ্হি** ৰূপায়ণৰ বাবে বুজাবুজিৰ চুক্তি।

***আৰু***

২। অবৈধ বাংলাদেশীক উৎখাত আৰু অসম চুক্তি ৰূপায়ণৰ দাবীৰে সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যজুৰি অনশন কাৰ্যসূচী।

০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি ঢেকীয়াজুলিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ ৩১ হাজাৰ ২২৪ গৰাকী সদস্যাক চেক বিতৰণ কৰে। ইয়াৰে ২৯ হাজাৰ ৫২৩ গৰাকী গ্ৰামাঞ্চলৰ আৰু এহেজাৰ ৭০১ গৰাকী নগৰাঞ্চলৰ আত্মসহায়ক গোটৰ সদস্যা। এই উপলক্ষে ঢেকীয়াজুলি চাহ বাগিচা খেলপথাৰত আয়োজিত অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয়, যে এই আঁচনিয়ে মহিলাসকলৰ মাজত নতুন কৰ্মস্পৃহা জগাই তুলি তেওঁলোকৰ আত্মনিৰ্ভৰশীলতাৰ বাট মুকলি কৰিব। তেওঁ কয়, যে ৰাজ্যত বৰ্তমান ৪ লাখ আত্মসহায়ক গোট আছে আৰু এই গোটসমূহৰ সৈতে ৪০ লাখ মহিলা জড়িত হৈ আছে। তেওঁ লগতে কয়, যে ইয়াৰে ৮ লাখ ৫০ হাজাৰ মহিলাই বছৰত এক লাখ টকাকৈ উপাৰ্জন কৰে। ছোৱালী আৰু মহিলাৰ উন্নয়ন আৰু নিৰাপত্তাৰ বাবে বিগত ৪ বছৰত ৰাজ্য চৰকাৰে নিৰন্তৰ কাম কৰি আছে বুলি উল্লেখ কৰি ডঃ শৰ্মাই কয়, যে মুখ্যমন্ত্ৰী হিচাপে তেওঁৰ কাৰ্যকালত বাল্য বিবাহ ৰোধ কৰাৰ প্ৰচেষ্টাকে ধৰি নিযুত মইনাৰ দৰে বহু আঁচনি ৰূপায়ণ কৰা হৈছে। তেওঁ লগতে কয়, যে অহা ১৭ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনৰ

দিনা অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ অধীনত মহিলাসকলক মাহিলী এহেজাৰ ২৫০ টকাকৈ প্ৰদান কৰা হ'ব। অৰুণোদয় পৰিয়ালে ৰন্ধন গেছৰ চিলিণ্ডাৰ ক্ৰয়ৰ বাবে চৰকাৰৰ পৰা ২৫০ টকাকৈ ৰাজ সাহায্য পাব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

ড০ শৰ্মাই আজি শোণিতপুৰ জিলাৰ ৰঙাপৰাৰ শিঙৰিজানত অক্ষয় পাত্ৰ ফাউণ্ডেচনৰ কেন্দ্ৰীয় সামূহিক ৰান্ধনী ঘৰৰ আধাৰশিলা স্থাপন কৰে। ২৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই সামূহিক ৰান্ধনী ঘৰৰ আধাৰশিলা স্থাপন অনুষ্ঠানত ৰঙাপৰাৰ বিধায়ক কৃষ্ণ কমল তাঁতী আৰু অক্ষয় পাত্ৰ ফাউণ্ডেচনৰ অধ্যক্ষ জনাৰ্ধনা দাস উপস্থিত থাকে। এই কেন্দ্ৰীয় সামূহিক ৰান্ধনী ঘৰৰ জৰিয়তে বিদ্যালয়ৰ শিক্ষাৰ্থীসকলক গুণগত আৰু স্বাস্থ্যসন্মত দুপৰীয়াৰ আহাৰৰ যোগান ধৰি শিশুৰ পুষ্টিহীনতা নিৰ্মূলৰ চেষ্টা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

**বাইট (চি এম)**

০০০০০

উত্তৰ পূৰ্বাঞ্চলৰ বাবে বাজেটত আৱণ্টিত ধনৰ পৰিমাণ ২০১৪-১৫ চনৰে পৰা ১৫৩ শতাংশ বৃদ্ধি পাইছে বুলি কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰাম মোহন নাইডু কিঞ্জাৰাপুৰে প্ৰকাশ কৰিছে। অৰুণাচল প্ৰদেশৰ ইটানগৰত আয়োজিত অসামৰিক বিমান পৰিবহণ বিষয়ক উত্তৰ পূৰ্বাঞ্চলৰ মন্ত্ৰী সন্মিলন তথা তৃতীয় উত্তৰ-পূব পৰিবহণ সন্মিলনত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে বিগত ১০ বছৰত প্ৰধানমন্ত্ৰী গতিশক্তি আঁচনিৰ অধীনত অকল আন্তঃগাঁথনিৰ বাবেই অঞ্চলটোত ১ লাখ ৪৫ হাজাৰৰো অধিক টকা বিনিয়োগ কৰা হৈছে। উত্তৰ-পূব পৰিবহণ সন্মিলন অঞ্চলটোৰ যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰাৰ বাবে আন্তঃগাঁথনি খণ্ডৰ প্ৰগতি, নীতিগত উদ্যম আৰু সমূহীয়া সুযোগ সম্পৰ্কে আলোচনাৰ মঞ্চৰূপে পৰিগণিত হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীকিঞ্জাৰাপুৰে কয়, যে কেন্দ্ৰীয় চৰকাৰে বিশেষকৈ ৰাজ্য আৰু ক্ষুদ্ৰ বিমান পৰিবহণ সংস্থাসমূহক উপকৃত কৰা উড়াণ আঁচনিৰ ম্যাদ আৰু ১০ বছৰ বৃদ্ধি কৰাৰ বাবে আঁচনিখনত সংশোধন কৰিছে। উত্তৰ পূৰ্বাঞ্চল সন্মুখীন হোৱা বিভিন্ন প্ৰত্যাহ্বানৰ ভিতৰত যোগাযোগ অন্যতম বুলি উল্লেখ কৰি তেওঁ কয়, যে অঞ্চলটোৰ বিমান যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ বাবে বিভিন্ন ক্ষুদ্ৰ আৰু উদ্ভাৱনমূলক আৰ্হি চালি-জাৰি চোৱা হৈছে। তেওঁ কয়, যে এই ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলৰ সকলো ৰাজ্যৰ প্ৰতিখন জিলাত হেলিপৰ্ট নিৰ্মাণ কৰাটো সঠিক পথ বুলি গণ্য কৰা হৈছে আৰু সম্প্ৰসাৰিত উড়াণ আঁচনিৰ অধীনত এই উদ্যমৰ পৰিকল্পনা কৰা হৈছে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামগ্ৰী আৰু সেৱাকৰ, জি এছ্ টি পৰিষদে জি এছ্ টি সংস্কাৰৰ বাবে লোৱা সিদ্ধান্তৰ প্ৰতি আদৰণি জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই সিদ্ধান্তৰ জৰিয়তে স্বাস্থ্য বীমাৰ পৰা জীৱনদায়িনী ঔষধকে ধৰি বিভিন্ন সামগ্ৰীৰ ওপৰত আৰোপিত জি এছ্ টি শূন্য কৰি দিয়া হৈছে বুলি আজি মন্তব্য কৰে। জি এছ্ টিৰ সংস্কাৰেৰে বিভিন্ন অত্যাৱশ্যকীয় সামগ্ৰীৰ ওপৰত আৰোপিত জি এছ্ টি ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে। তেওঁ কয়, যে মধ্যবিত্তই ব্যৱহাৰ কৰা চাৰিচকীয়া গাড়ী আৰু দুচকীয়া বাহনৰ ওপৰত আৰোপিত জি এছ্ টিও ২৮ৰ পৰা ১৮ শতাংশলৈ হ্ৰাস কৰা হৈছে। শাৰদীয় দুৰ্গাপূজাৰ প্ৰাক্-মুহূৰ্তত এয়া অসমবাসীৰ বাবেও সুন্দৰ উপহাৰ বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য

কৰে। তেওঁ কয়, যে ভাৰতে বিশ্বৰ আন দেশৰ তুলনাত আটাইতকৈ কম সময়ৰ ভিতৰত জি এছ্ টি সংস্কাৰ সফলভাৱে কাৰ্য্যকৰী কৰাৰ লগতে প্ৰয়োজন অনুসৰি ইয়াৰ সংশোধন আৰু সংস্কাৰ কৰাৰ সামৰ্থ্য মোদী চৰকাৰৰ দৃঢ় তথা সুপৰিকল্পিত শাসনশৈলীৰ উজ্জ্বল নিদৰ্শন।

-বাইট-

00000

সমগ্ৰ শিক্ষা অসম আৰু টাটা নেলকোই ৰাজ্যৰ মাধ্যমিক বিদ্যালয়সমূহত দক্ষতা শিক্ষাৰ ক্ষেত্ৰত হাব এণ্ড স্প'ক আৰ্হি ৰূপায়ণৰ উদ্দেশ্যে দুহেজাৰ ৪৪০ কোটি টকাৰ প্ৰকল্পৰ বাবে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই প্ৰকল্পৰ বাবে টাটা নেলকোই ৭৫ শতাংশ আৰু ৰাজ্য চৰকাৰে ২৫ শতাংশ পুঁজি যোগান ধৰিব।

হাব এণ্ড স্প'ক ম'ডেলত হাব বিদ্যালয়সমূহে চৌপাশৰ একাংশ স্প'ক বিদ্যালয়ৰ বাবে সমল আৰু প্ৰশিক্ষণ কেন্দ্ৰ হিচাপে কাম কৰে। স্প'ক বিদ্যালয়সমূহে হাব বিদ্যালয়সমূহৰ পৰা সহায় আৰু প্ৰয়োজনীয় দিহা-পৰামৰ্শ লাভ কৰে।

প্ৰকল্পৰ প্ৰথম পৰ্য্যায়ত ১০ খন হাব বিদ্যালয় আৰু ৭০ খন স্প'ক বিদ্যালয় আৰু দ্বিতীয় পৰ্য্যায়ত ৪০ খন হাব আৰু ৪৩০ খন স্প'ক বিদ্যালয় মুকলি কৰা হ'ব। প্ৰতিখন হাব বিদ্যালয়ে ১০ টা নিত্য নতুন দক্ষতা খণ্ডৰ আৰু প্ৰতিখন স্প'ক বিদ্যালয়ে দুটা খণ্ডৰ পৰিচালনা কৰিব। এই প্ৰকল্পৰ অধীনত কৃত্ৰিম উপগ্ৰহ আধাৰিত যোগাযোগ ব্যৱস্থাৰে বিশেষজ্ঞ পৰ্য্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব আৰু প্ৰতিখন হাব আৰু স্প'ক বিদ্যালয়ত দুগৰাকীকৈ প্ৰশিক্ষক থাকিব। এই আৰ্হিৰ অধীনত কৃত্ৰিম বুদ্ধিমত্তা, ইণ্ডাষ্ট্ৰিয়েল ইণ্টাৰনেট অৱ থিংছ, ৰব'টিকছ এণ্ড মোচন কণ্ট্ৰোল, এ আৰ ভি আৰ, থ্ৰি ডি প্ৰিণ্টিং, ড্ৰ'ণ প্ৰযুক্তি, যান-বাহন আৰু বৈদ্যুতিক বাহন প্ৰযুক্তি, ডিজাইন আৰু উদ্ভাৱন, হোম ইলেক্ট্ৰনিকছ্, কম্পিউটাৰ এইডেড মেচিনিং আদি পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা হ'ব। এই ভৱিষ্যদৰ্শী সমন্বয়ে ৰাজ্যৰ বৃত্তিমুখী আৰু দক্ষতা শিক্ষাৰ বিপ্লৱৰ সূচনা কৰিব আৰু কৰ্ম-সংস্থাপন লাভৰ উপযুক্ত দক্ষতা সুনিশ্চিত কৰি নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক সৱল কৰি তুলিব বুলি আশা কৰা হৈছে।

00000

ৰাজ্যৰ পৰা মৌলবাদী, অবৈধ বাংলাদেশীক উৎখাট আৰু অসম চুক্তি ৰূপায়ণেৰে অবৈধ বিদেশীৰ সমস্যা সমাধানৰ দাবীত সদৌ অসম ছাত্ৰ সন্থাই আজি ৰাজ্যজুৰি অনশন কাৰ্য্যসূচী গ্ৰহণ কৰে। ইয়াৰে অংশ হিচাপে কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত গুৱাহাটীৰ দীঘলীপুখুৰীৰ পাৰত সন্থাটোৰ নেতৃবৰ্গই প্ৰতিবাদী কাৰ্য্যসূচীত ভাগ লয় আৰু অবৈধ বিদেশী নাগৰিকৰ সমস্যা সমাধান কৰিবলৈ ৰাজ্য চৰকাৰক আহ্বান জনায়। অনশন স্থলীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই কয়, যে অনুপ্ৰৱেশ ৰোধৰ স্বাৰ্থত ভাৰত-বাংলাদেশ সীমান্ত শীঘ্ৰে চীল কৰাটো প্ৰয়োজন।

-বাইট(উৎপল শৰ্মা)-

গোৱালপাৰাতো অবৈধ বিদেশী প্ৰব্ৰজন সমস্যা সমাধানৰ দাবীত আজি জিলা ছাত্ৰ সন্থাই ১১ ঘণ্টীয়া অনশন কাৰ্য্যসূচী ৰূপায়ণ কৰে।

হোজাইত জিলা ছাত্ৰ সন্থাৰ উদ্যোগত ভাৰত-বাংলাদেশ সীমান্ত চীল কৰা, কা আইনৰ আওতাৰ পৰা অসমক সম্পূৰ্ণৰূপে নিলগত ৰখা আৰু অসম চুক্তিৰ ৬ নম্বৰ দফা সম্পৰ্কীয় ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা

কমিটিৰ সকলো পৰামৰ্শ ৰূপায়ণৰ দাবীত আজি পুৱা ৬ বজাৰ পৰা বিয়লি ৫ বজালৈ অনশন কাৰ্য্যসূচী গ্ৰহণ কৰা হয়।

উল্লেখযোগ্য যে, কেন্দ্ৰীয় চৰকাৰে অলপতে পাকিস্তান, আফগানিস্তান আৰু বাংলাদেশৰ ধৰ্মীয় সংখ্যালঘু লোকসকলৰ বাবে ২০২৪ চনৰ ৩ ডিচেম্বৰ পৰ্যন্ত  ভাৰতীয় নাগৰিকত্বৰ বাবে আবেদনৰ যোগ্যতাৰ সময়সীমা বৃদ্ধি কৰিছে।

ooooo

সমাগত বি টি চি নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান অব্যাহত আছে। মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই আজি ইউ পি পি এলৰ প্ৰাৰ্থী ৰবিৰাম ব্ৰহ্মৰ সমৰ্থনত বানৰগাঁও সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলায়। ইপিনে বাক্সা জিলাৰ শালবাৰী পৰিষদীয় সমষ্টিৰ বাবে সাংসদ জয়ন্ত বসুমতাৰীয়ে আজি নিৰ্বাচনী পৰিচালনা সমিতি গঠন কৰে। তেওঁ কয়, যে এইবাৰ কেন্দ্ৰীয়ভাৱে এখন নিৰ্বাচনী সমিতি থাকিব আৰু সমষ্টিভিত্তিত একোখনকৈ নিৰ্বাচনী পৰিচালনা সমিতি গঠন কৰা হ'ব।

নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত গৃহ আৰু ৰাজনৈতিক বিভাগৰ অতিৰিক্ত সচিব দিঠকানন্দ হাজৰিকা আজি ওদালগুৰিত উপস্থিত হয়। বিষয়াগৰাকীয়ে খৈৰাবাৰী, ভেৰগাঁও আৰু ননৈ ছেৰফাং সমষ্টিত নিৰ্বাচনী কাম-কাজ পৰ্যবেক্ষণ কৰে। অসম ৰাজ্যিক তথ্য আয়োগৰ সচিব অতুল কুমাৰ শৰ্মা আৰু ৰাজ্য চৰকাৰৰ বিত্ত বিভাগৰ সচিব ক্ষিতীশ চন্দ্ৰ পেগুৱে কালি তামুলপুৰত নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়াৰ সৈতে আলোচনাত মিলিত হয়।

ooooo

কালি দেহাৱসান ঘটা অসমৰ অনাতাঁৰ সংবাদ সেৱাৰ অন্যতম বাটকটীয়া বিৰাজ দাসৰ অন্ত্যেষ্টিক্ৰিয়া আজি গুৱাহাটীৰ নৱগ্ৰহ শ্মশানত সম্পন্ন হয়। অন্ত্যেষ্টিক্ৰিয়াত ভালেসংখ্যক গুণমুগ্ধ আৰু সংবাদকৰ্মী উপস্থিত থাকে। ইয়াৰ আগেয়ে দিনৰ ভাগত তেওঁৰ নশ্বৰদেহ আকাশবাণী গুৱাহাটীলৈ অনা হয় আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ লগতে আন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে প্ৰাক্তন সতীৰ্থগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা তৰ্পন কৰে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে বৰ্ষীয়ান সাংবাদিক গৰাকীৰ কালি বিয়লি গুৱাহাটীৰ এখন হাস্পতালত ৮৯ বছৰ বয়সত দেহাৱসান ঘটে। ভাৰতীয় তথ্য সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া, আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ প্ৰাক্তন যুটীয়া সঞ্চালক তথা আন্তৰ্জাতিক পৰ্যায়ত আকাশবাণীৰ বিশেষ সংবাদদাতাৰ পদবীত কাৰ্যনিৰ্বাহ কৰা প্ৰথম অসমীয়া বিৰাজ দাসে ১৯৭৯ৰ পৰা ১৯৮৪ চনলৈ আকাশবাণী গুৱাহাটীৰ সংবাদদাতা হিচাপে কৰ্মৰত আছিল। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনৰ যোজনা আৰু পয়োভৰাৰ জ্যেষ্ঠ সংবাদদাতা, ক্ষেত্ৰ প্ৰচাৰ সঞ্চালকালয়ৰ  আঞ্চলিক বিষয়া, প্ৰেছ ইনফৰমেছন ব্যুৰোৰ উপ প্ৰধান তথ্য বিষয়া আদি বিভিন্ন গুৰুত্বপূৰ্ণ পদত তেওঁ কাৰ্যনিৰ্বাহ কৰিছিল। পৰৱৰ্তী সময়ত দাসে শ্ৰীলংকাৰ কলম্বোত আকাশবাণীৰ বিশেষ সংবাদদাতা হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। অৱসৰৰ পাছত তেওঁ কেইবাবছৰো আকাশবাণী গুৱাহাটী আৰু দূৰদৰ্শনৰ অংশকালীন বাতৰি সম্পাদক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সাংবাদিকতা বিভাগত অতিথি অধ্যাপক হিচাপে কাম কৰাৰ উপৰি কেইবাটাও ব্যক্তিগত গণমাধ্যমৰ প্ৰশিক্ষণ প্ৰতিষ্ঠানত জ্যেষ্ঠ প্ৰশিক্ষক হিচাপেও কাম কৰিছিল।

০০০০০

সমাপ্ত